**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 19-09-2025
**Time :** 1910 HRS.

ASSAMESE EVENING BULLETIN

## HEADLINES

:::::::::::::::::::

১। অসমৰ ৰাইজৰ হিয়াৰ আমঠু, জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ আজি ছিংগাপুৰত দেহাৱসান ঘটে। তেওঁৰ মৃত্যুত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহৰ শোক প্ৰকাশ।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে দেশৰ উন্নয়ন, সমৃদ্ধি, বহনক্ষমতা আৰু ৰাষ্ট্ৰীয় শক্তি বৃদ্ধিৰ বাবে সাগৰীয় অৰ্থনীতিৰ মূল আধাৰ হিচাপে পৰিগণিত হৈছে।

৩। ১৯৬৫ চনৰ ভাৰত আৰু পাকিস্তান যুদ্ধৰ ৬০ বছৰ হোৱা উপলক্ষে যুদ্ধত অংশ লোৱা সেনাৰ ত্যাগ আৰু সাহসক দেশবাসীয়ে শ্ৰদ্ধাৰে সুঁৱৰিছে।

৪। ভাৰতে সন্ত্ৰাসবাদ আৰু ইয়াৰ লগত জড়িত সকলো ধৰণৰ সন্ত্ৰাসবাদী কাৰ্যকলাপৰ বিৰুদ্ধে সঠিক আৰু সুদৃঢ় ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে বিশ্ববাসীক আহ্বান জনাইছে।

*আৰু*

৫। এছিয়া কাপ টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ এৰ এখন খেলত আজি ভাৰত ওমানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

অসমৰ ৰাইজৰ হিয়াৰ আমঠু, জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গ আৰু আমাৰ মাজত নাই। ছিংগাপুৰত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ গৈ সাগৰত সাঁতোৰাৰ সময়ত হঠাৎ অসুস্থ হৈ মৃত্যুক আঁকোৱালি লয় ক্ষণজন্মা শিল্পীগৰাকীয়ে। তিনি দশকৰো অধিক কাল অসমীয়া সংগীতজগতত অপ্ৰতিদ্বন্দ্বী হৈ ৰোৱা কণ্ঠশিল্পী জুবিন গাৰ্গে কেৱল অসমীয়াই নহয়, বাংলা, হিন্দী আৰু আন কেইবাটাও ভাৰতীয় ভাষাত গীত গাই শ্ৰোতাক মন্ত্ৰমুগ্ধ কৰি থৈ গৈছে। প্ৰতিটো প্ৰজন্মক সংগীতৰ যাদুৰে মোহাচ্ছন্ন কৰি  কেৱল ৫৩ বছৰ বয়সতে মৃত্যুক সাৱটি লোৱা জুবিন গাৰ্গৰ দেহাৱসানত ৰাজ্য আৰু দেশ শোকস্তব্ধ হৈ পৰিছে।

জুবিন গাৰ্গৰ মৃত্যুত শোকাহত হৈ পৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীও। শ্ৰী মোদীয়ে জুবিন গাৰ্গৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি দিয়া এটা বাৰ্তাত কয়, যে শিল্পীগৰাকীৰ সুৰীয়া গীতসমূহ সমাজৰ সকলো স্তৰৰ লোকৰ মাজত অতি প্ৰিয় আছিল। সংগীত জগতলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে জুবিন গাৰ্গ সদায় স্মৰণীয় হৈ ৰ'ব বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। গৃহমন্ত্ৰী অমিত শ্বাহেও জনপ্ৰিয় শিল্পীগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীশ্বাহে কয় যে দশক দশক ধৰি শিল্পীগৰাকীৰ সোণালী কণ্ঠই প্ৰজন্মৰ পাছত প্ৰজন্মক মোহাচ্ছন্ন কৰি ৰাখিছিল।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জুবিন গাৰ্গৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁ শিল্পীগৰাকীৰ নশ্বৰ দেহ অসমলৈ ঘূৰাই অনাৰ বাবে ছিংগাপুৰৰ ৰাষ্ট্ৰদূতৰ সৈতে কথাবতৰা হৈছে বুলি জনাইছে। শিল্পীগৰাকীৰ মৃত্যুত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও গভীৰ শোক প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজু, বিৰোধী নেতা ৰাহুল গান্ধীকে ধৰি আন কেইবাগৰাকী কেন্দ্ৰীয় মন্ত্ৰী, ৰাজ্য চৰকাৰৰ মন্ত্ৰী, সাংসদ গৌৰৱ গগৈ, বলিউদৰ বিশিষ্ট গায়ক, সংগীত পৰিচালক প্ৰীতম, অংগৰাগ মহন্ত, জুবিন নটিয়াল প্ৰমুখ্যে অজস্ৰ গুণমুগ্ধই গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে।

উল্লেখযোগ্য যে অসমীয়া সংগীত জগতত বৰ্ণিল যুগৰ সূচনা কৰা জুবিন গাৰ্গৰ জন্ম হৈছিল ১৯৭২ চনৰ ১৮ নৱেম্বৰত মেঘালয়ৰ তুৰাত। ১৯৯২ চনত অনামিকা এলবামেৰে সংগীত যাত্ৰা আৰম্ভ কৰা জুবিন

গাৰ্গে নৱপ্ৰজন্মক পুনৰ অসমীয়া আধুনিক গীতৰ অনুৰাগী কৰি তোলাত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। বাংলা ছবি **শুধু তুমি**ৰ বাবে ২০০৫ চনত তেওঁ বংগীয় চলচ্চিত্ৰ সমালোচক সংস্থাই আগবঢ়োৱা শ্ৰেষ্ঠ সংগীত পৰিচালকৰ বঁটা লাভ কৰিছিল। ২০০৭ চনত হিন্দী ছবি **গেংষ্টাৰ**ৰ **য়া আলী** শীৰ্ষক গীতটোৰ বাবে তেওঁ গ্লোবেল ইণ্ডিয়ান ফিল্ম এৱাৰ্ড আৰু ষ্টাৰডাষ্ট এৱাৰ্ডত শ্ৰেষ্ঠ নেপথ্য কণ্ঠশিল্পীৰ বঁটা লাভ কৰিছিল। তদুপৰি ইংৰাজী-খাচী ছবি **ইক'জ অব ছাইলেন্স** ছবিৰ বাবে তেওঁ শ্ৰেষ্ঠ সংগীত পৰিচালক হিচাপে ৰজত কমল বঁটা লাভ কৰিছিল। সংগীতৰ মহান পূজাৰীগৰাকীৰ মৃত্যুত আমি শিল্পীগৰাকীলৈ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে দেশৰ উন্নয়ন, সমৃদ্ধি, বহনক্ষমতা আৰু ৰাষ্ট্ৰীয় শক্তি বৃদ্ধিৰ বাবে সাগৰীয় অৰ্থনীতিৰ মূল আধাৰ হিচাপে পৰিগণিত হৈছে। কেন্দ্ৰীয় মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙৰ এটা প্ৰৱন্ধৰ প্ৰসঙ্গ উল্লেখ কৰি সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে সাগৰমালা, গভীৰ মহাসাগৰীয় অভিযানৰ দৰে পদক্ষেপসমূহে বিভিন্ন সম্প্ৰদায়ক আগুৱাই নিয়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। এই পদক্ষেপে বিশ্ব সাগৰীয় ক্ষেত্ৰখনত ভাৰতৰ নেতত্ব অধিক শক্তিশালী কৰি তুলিছে বুলিও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰে।

ooooo

১৯৬৫ চনৰ ভাৰত আৰু পাকিস্তানৰ মাজৰ যুদ্ধত অংশ লোৱা সেনাৰ ত্যাগ আৰু সাহসক দেশবাসীয়ে শ্ৰদ্ধাৰে সুঁৱৰিছে। ভাৰত-পাকিস্তানৰ যুদ্ধৰ ৬০ বছৰ সম্পূৰ্ণ হোৱাৰ উপলক্ষে কেন্দ্ৰীয় চৰকাৰে মাহজোৰা কাৰ্যসূচী গ্ৰহণ কৰিছে। আজি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই উপলক্ষে নতুন দিল্লীত প্ৰবীণ সৈনিক আৰু যুদ্ধত অংশগ্ৰহণ সেনাৰ পৰিয়ালক সাক্ষাৎ কৰে। তেওঁ কয় যে প্ৰতিজন ভাৰতীয় সৈনিকে দেশৰ কাৰণে সদায়েই নিস্বাৰ্থভাৱে কাম কৰি আহিছে আৰু দেশৰ বিপদৰ সময়ত কেতিয়াও পিছ হুহকি অহা নাই। অপাৰেশ্যন সিন্দূৰৰ প্ৰসঙ্গ উল্লেখ কৰি তেওঁ কয় যে দেশৰ প্ৰতিৰক্ষা বাহিনীসমূহে দেখুওৱা সাহস আৰু সহযোগিতাই এইটো স্পষ্ট কৰে যে ভাৰতৰ বাবে এনে ধৰণৰ বিজয় ব্যতিক্ৰম নহয়, এয়া এটা অভ্যাস। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে আজি নতুন দিল্লীত ১৯৬৫ চনৰ ভাৰত-পাকিস্তান যুদ্ধৰ ৬০ বছৰ হোৱা উপলক্ষে আয়োজিত কাৰ্যসূচীত সেই যুদ্ধৰ বীৰ সৈনিক তথা যুদ্ধত দেশৰ হকে প্ৰাণ আহুতি দিয়া বীৰসকলৰ পৰিয়ালৰ সৈতে মত-বিনিময় কৰি এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, দেশৰ সাৰ্বভৌমত্ব আৰু একতা ৰক্ষাৰ ক্ষেত্ৰত দেশৰ জোৱানসকলৰ অৱদানক কেতিয়াও কোনো মূল্যৰ বিনিময়ত তুলনা কৰিব নোৱাৰি। শ্ৰীসিঙে কয় যে দেশৰ জোৱানসকলে যাতে কোনো ধৰণৰ অভাৱ অনুভৱ নকৰে তাৰ বাবে চৰকাৰে প্ৰয়োজনীয় সকলো পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ কয় যে দেশে নিজৰ ভাগ্য আৰু ভৱিষ্যৎ গঢ়াৰ বাবে সকলো ধৰণৰ প্ৰয়াস অব্যাহত ৰাখিছে। তেওঁ কয় যে প্ৰতিগৰাকী জোৱান, প্ৰাক্তন সৈনিক আৰু মৃত সৈনিকসকলৰ পৰিয়ালৰ কল্যাণৰ বাবে চৰকাৰে মৰ্যাদা সহকাৰে কাম কৰি আছে।

ooooo

ভাৰতে সন্ত্ৰাসবাদ আৰু ইয়াৰ লগত জড়িত সকলো ধৰণৰ সন্ত্ৰাসবাদী কাৰ্যকলাপৰ বিৰুদ্ধে সঠিক আৰু সুদৃঢ় ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে বিশ্ববাসীক আহ্বান জনাইছে। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ আগত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মুখপাত্ৰ ৰনধীৰ জয়ছৱালে কয় যে সন্ত্ৰাসবাদী আৰু পাকিস্তানৰ নিৰাপত্তা বাহিনীৰ মাজত থকা যোগসূত্ৰৰ কথা সমগ্ৰ বিশ্বই অৱগত। সংবাদ মাধ্যমৰ এটা প্ৰশ্নৰ উত্তৰত তেওঁ কয় যে এই কথা জনসাধাৰণৰ মাজত অধিক স্পষ্ট হৈ পৰিছে। তেওঁ কয় যে প্ৰতিখন দেশেই সীমান্তৰ সিপাৰৰ সন্ত্ৰাসবাদ আৰু সন্ত্ৰাসবাদীৰ সকলো ধৰণৰ কাৰ্যকলাপৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা উচিত। শ্ৰীজয়ছৱালে কয় যে ব্ৰিকছ্, এছ চি অ'ৰ দৰে বহুপাক্ষিক মঞ্চত আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে সবল জনমত গঠন হৈছে।

তেওঁ কয় যে সুশীলা কাৰ্কীৰ নেতৃত্বত নেপালত নতুন অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠন হোৱাৰ বাবে ভাৰতে শুভেচ্ছা জনাইছে। মুখপাত্ৰগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও শ্ৰীমতী কাৰ্কীক শুভেচ্ছা জনাই

দেশখনত শান্তি প্ৰৱৰ্তন আৰু সুস্থিৰতা ৰক্ষাৰ ক্ষেত্ৰত ভাৰতে সকলো ধৰণৰ সমৰ্থন আগবঢ়াব বুলি অৱগত কৰিছে। দেশ দুখনৰ জনসাধাৰণৰ সমৃদ্ধি আৰু কল্যাণৰ বাবে ভাৰতে নেপালৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক বৰ্তাই ৰাখিছে।

ooooo

অইল ইণ্ডিয়া লিমিটেড আৰু হিন্দুস্তান ক'পাৰ লিমিটেডৰ মাজত আজি এখন বুজাবুজি চুক্তিত স্বাক্ষৰিত হয়। এই চুক্তি অনুসৰি দুয়োটা প্ৰতিষ্ঠানে এতিয়াৰে পৰা একেলগে ক'পাৰকে ধৰি আন জটিল খনিজাত দ্ৰব্যসমূহ উদঘাটনৰ বাবে অন্বেষণ কৰিব। এই বুজাবুজি চুক্তিৰ সন্দৰ্ভত খনি মন্ত্ৰালয়ে প্ৰকাশ কৰে যে দুয়োটা প্ৰতিষ্ঠানে একেলগে কাম কৰিবলৈ আগবাঢ়ি অহাটো দেশৰ খনিজ উদ্যোগটোৰ বাবে আশাৰ বতৰা। দেশৰ শক্তিখণ্ডৰ সুৰক্ষা, ঔদ্যোগিক উন্নয়ন আৰু প্ৰযুক্তিগত উন্নয়নত এই সমন্বয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলিও মন্ত্ৰালয়ে মন্তব্য কৰে।

ooooo

প্ৰচাৰ ভাৰতীৰ অধ্যক্ষ নৱনীত কুমাৰ চেহগালে আজি হায়দৰাবাদত আকাশবাণীৰ এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। দুদিনীয়া ভ্ৰমণসূচী লৈ হায়দৰাবাদলৈ যোৱা অধ্যক্ষগৰাকীয়ে আজি আকাশবাণীৰ ষ্টুডিঅ' পৰিদৰ্শন কৰে। আঞ্চলিক বাতৰি গোট পৰিদৰ্শন কালত তেওঁ কোনো ধৰণৰ পলম নোহোৱাকৈ জনসাধাৰণৰ বাবে উপযোগী সঠিক উৎসৰ পৰা লোৱা বাতৰি পৰিবেশন কৰিবলৈ আহ্বান জনায়। অধ্যক্ষগৰাকীয়ে কাইলৈ হায়দৰাবাদ দূৰদৰ্শন কেন্দ্ৰ পৰিদৰ্শন কৰিব।

ooooo

নিৰ্বাচন আয়োগে শেহতীয়াকৈ পঞ্জীয়নভুক্ত ৪৭৪টা অস্বীকৃত ৰাজনৈতিক দলৰ নাম আয়োগৰ তালিকাৰ পৰা কৰ্তন কৰিছে। আয়োগৰ নীতি-নিয়ম অমান্য কৰাৰ বাবে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি নিৰ্বাচন আয়োগে জানিবলৈ দিছে। ২০১৯ চনৰ পৰা এতিয়ালৈকে ৰাজনৈতিক দলসমূহে এবাৰো নিৰ্বাচনত অৱতীৰ্ণ নোহোৱাৰ বাবে এই সিদ্ধান্ত লোৱা হৈছে। এই প্ৰক্ৰিয়াৰ প্ৰথম পৰ্যায়ত নিৰ্বাচন আয়োগে যোৱা মাহত ৩৩৪টা ৰাজনৈতিক দলৰ নাম বাতিল কৰিছিল। ইয়াকে লৈ এতিয়ালৈকে বিগত দুটা মাহত মুঠ ৮০৮টা পঞ্জীয়নভুক্ত ৰাজনৈতিক দলৰ কৰ্তন কৰা হৈছে। আয়োগে জনোৱা মতে ৩৫৯টা ৰাজনৈতিক দলে বিগত তিনিটা বিত্তীয় বৰ্ষত বাৰ্ষিক হিচাপ দাখিল নকৰাৰ বাবে নাম কৰ্তন কৰা হৈছে।

ooooo

এছিয়া কাপ টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ এৰ এখন খেলত আজি ভাৰত ওমানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আবু ধাবিৰ শ্বেখ জায়েদ ষ্টেডিয়ামত হ'বলগীয়া খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

যোৱা নিশা আবুধাবিত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত শ্ৰীলংকাই আফগানিস্তানক ৬ উইকেটত পৰাস্ত কৰি ছুপাৰ ফ'ৰ পৰ্যায়ত প্ৰৱেশ কৰে। এই জয়ৰ সুবাদত শ্ৰীলংকাৰ গ্ৰুপ বিৰ পইণ্ট তালিকাত শীৰ্ষ স্থান দখল কৰে। গ্ৰুপটোত অন্তৰ্ভুক্ত বাংলাদেশেও তিনিখন খেলৰ দুখনত জয়লাভ কৰি প্ৰতিযোগিতাৰ পৰৱৰ্তী পৰ্যায়ৰ স্থান নিশ্চিত কৰিছে।

ooooo

সমাপ্ত